# গোৱালপৰীয়া লোকগীত "একবাৰ হৰি বোল মন ৰসনা" : এটি বিশ্লেষণ

গোৱালপৰীয়া লোক-সাহিত্য লোকগীতৰ অফুৰন্ত ভঁৰাল। বিভিন্ন বিষয়ৰ গীতেৰে এই ভঁৰাল সমৃদ্ধ। অসংখ্য গোৱালপৰীয়া লোকগীতৰ মাজত দেহতত্ত্বমূলক একপ্ৰকাৰ লোক গীতো আছে। এই শ্ৰেণীৰ গীতক বিষয়বস্তুৰ সামান্য পাৰ্থক্যৰ ওপৰত ভিত্তি কৰি তিনিটা ভাগত বিভক্ত কৰিব পাৰি। যেনেঃ

দেহবিচাৰ্য,

বৈৰাগী ভাবমূলক আৰু

আধ্যাত্মিক ভাবমূলক।

বিস্তীৰ্ণ অঞ্চলত সিঁচৰতি হৈ থকা বাবে ৰহণীয়া গীতবোৰৰ মাজত আছে অন্য এক শ্ৰেণীৰ বিশেষ লোকগীত যিবোৰ গীতক 'দেহবিচাৰ্য' অৰ্থাৎ দেহবিচাৰৰ গীত বুলি কোৱা হয়। এইবোৰ গীত মানৱ জীৱনক কেন্দ্ৰ কৰি গঢ়ি উঠিছে, য'ত মানৱ দেহৰ অনিত্যতা, অসাৰতা আৰু ক্ষণভঙ্গুৰতাৰ কথা বিৱৰি কোৱা হৈছে। পাৰ্থিব জগতৰ অসাৰতা, অনিত্যতাৰ কথাও কোৱা হৈছে চিত্ৰধৰ্মী বৰ্ণনাৰে, প্ৰতীক-ৰূপকৰ প্ৰয়োগেৰে। সূক্ষ্মভাৱে লক্ষ্য কৰিলে গীতবোৰত ঘাইকৈ তিনিটা স্তৰৰ গীত পৰিলক্ষিত হয়।--- (১) দেহবিচাৰ (২) বৈৰাগী (৩) আধ্যাত্মিক ভাৱৰ গীত।

অনিত্য সংসাৰ যাত্ৰাৰ পথত মানৱৰ শেষ আশ্ৰয় পৰমাত্মা। পৰমাত্মাত মিলিবৰ বাবে গীতিকাৰে দাঙি ধৰা পথ ভক্তিৰ পথ। এই পথেৰে আগবাঢ়ি গ'লে মৃত্যুৰ পিছত মোক্ষ লাভ হয়। যি মোক্ষ পৰম ব্ৰহ্মত মিলিত হ'লেহে সম্ভৱ। এই মোক্ষ প্ৰাপ্তিৰ বাবে সংসাৰৰ বিষয়-বাসনা, দৈহিক লালসা, লোভ-মোহ, মায়া-মমতাৰ প্ৰতি মনত উদয় হ'ব লাগিব বিৰাগ, বৈৰাগ্য ভাব। ভক্তিমাৰ্গেৰে পৰম ব্ৰহ্মা বা পৰমাত্মাৰ ওচৰলৈ আগবাঢ়ি যাব লাগিব। কাৰণ বৈৰাগ্যৰ ফলত অবিনশ্বৰ আত্মাৰ আশ্ৰয়-স্থল পৰমব্ৰহ্মত মিলিত হ'বলৈ ভক্তিৰ পথেদি আত্মাৰ মুক্তি বিচাৰি পৰমাত্মাৰ ওচৰলৈ ধাৱিত হ'ব লাগিব- এই প্ৰাচীন ভাবাদৰ্শৰ ওপৰত ভিত্তি কৰি গীতবোৰ যে ৰচিত হৈছে তাত সন্দেহৰ থল নাই। এই দৃষ্টিৰে লক্ষ্য কৰিলে আধ্যাত্মিক ভাৱপূৰ্ণ গোৱালপৰীয়া লোকগীতৰ লগত দেহবিচাৰৰ গীতৰ সাদৃশ্য পৰিলক্ষিত হয়।

মন কৰিবলগীয়া কথা হ'ল এনেবোৰ দাৰ্শনিক ভাৱৰ গোৱালপৰীয়া লোকগীতৰ সংখ্যা উদ্ধাৰ হোৱা অন্যান্য গীতৰ তুলনাত বহুত কম। গীতবোৰত মানৱ দেহ, মানৱ জীৱন, মানৱৰ পাৰ্থিব ধন-সম্পত্তি, ঐশ্বৰ্য-বিভূতি, পৰিয়াল পৰিজন, আত্মীয়-কুটুম, বন্ধু-বান্ধৱ, স্ত্ৰী-পুত্ৰ সম্বন্ধে সম্যক ধ্যান-ধাৰণা বা দৃষ্টিভংগী

উন্মুক্তভাবে প্ৰতিফলিত হৈছে। মানৱ দেহ যে ক্ষণভংগুৰ, ইয়াৰ যে মুঠেও স্থিৰতা নাই, তাক লৈ গৰ্ব কৰা যে চৰম মূৰ্খামি- লোকগীতৰ চহা কবিয়ে তাক স্পষ্টভাৱে কৈছে –

*একবাৰ হৰি বলো মন ৰসনা*

*মানৱ দেহেৰ গৈৰৱ কৈৰো না।*

*মানৱ দেহা মাটিৰে ভাণ্ড*

*ভাঙিলে হইবে খণ্ডৰে খণ্ড*

*ভাঙিলে দেহা জোৰা নিবে না।*

মানৱ মনত প্ৰথম অহমিকাৰ ভাব জন্মে দেহৰ পৰা অৰ্থাৎ দৈহিক ৰূপ-যৌৱন, বল-শক্তি, গুণ-গৰিমাৰ পৰা। কিন্তু লোকগীতৰ ৰচকসকলে বাৰুকৈয়ে উপলব্ধি কৰিছে যে যিবোৰ দৈহিক বস্তুক লৈ আমাৰ অহং ভাবৰ জন্ম হয়, সেই সকলোবোৰেই ক্ষণভঙ্গুৰ , অস্থায়ী অসাৰ। সেয়ে চহা কবিয়ে মানৱ দেহক মাটিৰ ভাণ্ডৰ লগত তুলনা কৰি ইয়াক লৈ গৰ্ব-অহংকাৰ কৰাৰ পৰা বিৰত থাকিবলৈ সোঁৱৰাই দিছে-

*মানৱ দেহা মাটিৰ ভাণ্ড,*

*ভাঙিলে হইবে খণ্ডৰে খণ্ড;*

*ভাঙিলে দেহা জোৰা নিবে না,*

*মানৱ দেহাৰ গৈৰৱ কইৰো না।*

মাটিৰ পাত্ৰ খণ্ড খণ্ড হৈ ভাঙিলে ব্যৱহাৰৰ অনুপযুক্ত হোৱাৰ নিচিনাকৈ মানৱ দেহ ভাঙিলেও সি ব্যৱহাৰৰ অনুপযুক্ত হয়। ভঙা টুকুৰাবোৰ যোৰা লগাই যেনেকৈ পাত্ৰটো আকৌ ব্যৱহাৰৰ যোগ্য কৰিব নোৱাৰি, তেনেকৈ ভাঙি যোৱা দেহকো আকৌ জোৰা লগাব নোৱাৰি। পাত্ৰৰ ভঙা টুকুৰাবোৰ সময়ত মাটিৰ লগত নিশ্চিহ্ন হৈ যোৱাৰ নিচিনাকৈ মানৱ দেহো পঞ্চভূতত লীন হৈ যায়। এনে দেহৰ পৰা জন্ম পোৱা অহমিকা ভাব অমূলক। চহা কবিৰ চহা অন্তৰে বিচাৰি উলিওৱা মানৱ দেহক মাটিৰ পাত্ৰৰ লগত তুলনা কৰা

সুন্দৰ উপমাটিয়ে "কুমাৰ আৰু মাটিৰ পাত্ৰ" নামৰ ইংৰাজী কবিতাটিৰ কথা মনত পেলায়। সেয়াই নহয়, এই বিষয়ত কবিৰ কল্পনাৰ সাদৃশ্য ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ কবিতাৰ লগতো দেখিবলৈ পোৱা যায়।

গোৱালপৰীয়া চহা গীতিকাৰৰ দেহ-বিচাৰৰ গীতে হৰিৰ চৰণত শৰণ ল'বলৈ আহ্বান জনাইছে- ‘‘এক বাৰ হৰি বোল মন ৰসনা’’ বুলি আৰু ‘‘হৰি বোল মন বাৰে বাৰ - বেলা ডুবিলে হৈবে অন্ধকাৰ’’- এই বচনেৰে। কাৰণ হৰিয়ে একমাত্ৰ ভজনীয় আৰু উপাসনীয় বুলি গীতিকাৰ নিশ্চিত হৈছে। মানুহৰ জীৱন, জীৱনৰ অৰ্থ, জন্ম-ৰহস্য, মৃত্যু-ৰহস্যৰ কথাও প্ৰতিভাত হৈছে গীতবোৰত। চহা কবিয়ে সেই ছবিও অংকন কৰিছে শব্দৰ তুলিকাৰে, সেই চিত্ৰ উদ্ভাসিত হৈছে ৰঙীণ ব্যঞ্জনাৰে। মানুহৰ অন্তিম যাত্ৰাৰ সঙ্গী কোনোৰে নহয়। পাৰ্থিব ধন-দৌলত একোৱে লগত নাযায় কাৰো। সকলো ইয়াতে পৰি থাকিব শেষত---

*টাকা- পইসা ভিটা বাড়ী*

*জীৱন গেলে সব ৰবেৰে পৰি*

*সঙ্গেৰ সাথী কেউ তোৰ হবে না।*

গীতবোৰত ৰচকসকলৰ মানৱদেহ, মানৱ-জীৱন, মানৱ–জীৱনৰ ধন-সম্পত্তি, ঐশ্বৰ্য-বিভূতি, আত্মীয়-স্বজন, বন্ধু-বান্ধব, পুত্ৰ-পৰিয়াল আদি বিষয়জনিত সকলোবোৰৰ জীবনোপলব্ধ সম্যক ধ্যান-ধাৰণা মুক্ত গতিত প্ৰকাশ পাইছে। এই শ্ৰেণীৰ গীতৰ ৰচকসকলৰ মানত মানৱ দেহ আৰু পাৰ্থিব জীৱন দুদিনীয়া । এই গীতৰ জনপ্ৰিয়তালৈ লক্ষ্য কৰি ড° ধীৰেন দাসে মন্তব্য কৰিছে- "গোৱালপাৰা জিলাত হিন্দু-মুছলমান, কোচ-কছাৰী, গাৰো-চাওতাল আদি কৰি বহুতো জাতি-জনজাতিৰ মানুহ মিলা-প্ৰীতিৰে বাস কৰি আছে। এই জন-জাতিৰ মাজত হিন্দুৰ ভগৱান, মুছলমানৰ আল্লাহ একমাত্ৰ উপাস্য দেৱতা হ'লেও সকলো শ্ৰেণীৰ মানুহৰ মুখতে এই শ্ৰেণীৰ গীতবোৰ শুনিবলৈ পোৱা যায়। ‘‘হৰি বলো মন ৰসনা, মানৱ দেহেৰ গৈৰৱ কৈৰো না।’’- বুলি এজন হিন্দুৱে যেনেকৈ গায়, তেনেকৈয়ে এজন মুছলমানেও গায়। ইয়াতেই এই গীতবোৰৰ বিশেষত্ব লুকাই আছে।"

--- *** ---

- প্ৰাসঙ্গিক সংযোজন

***গোৱালপৰীয়া উপভাষা:***

সম্প্ৰদায়ভেদে কেতিয়াবা মান্য বা প্ৰচলিত ভাষাৰ ৰূপ সেই ভাষাৰ পৰা কিছু বেলেগ হয়। এই বেলেগ ৰূপৰ ভাষাটোকে কোৱা হয় উপভাষা। উল্লেখযোগ্য, উপভাষা মান্যভাষাৰ পৰা সৃষ্টি নহয়। বৰং, এক বা একাধিক উপভাষাৰ পৰাহে মান্যভাষা গঢ়ি উঠে। আকৌ, কোনো ভাষাগোষ্ঠীৰ মান্যভাষাকো এটা উপভাষা হিচাপে গণ্য কৰা হ'ব পাৰে। একে অঞ্চলৰ একাধিক উপভাষাৰ ভিতৰত প্ৰধান পাৰ্থক্য দেখা যায় ধ্বনি, উচ্চাৰণ আৰু শব্দত। উদাহৰণস্বৰূপে উজনি অসমৰ ভাষাৰ লগত কামৰূপীয়া বা গোৱালপৰীয়া ভাষাৰ পাৰ্থক্যলৈ আঙুলিয়াব পাৰি।

অসমৰ গোৱালপাৰা অঞ্চলত প্ৰচলিত উপ- ভাষাটোকে গোৱালপৰীয়া উপভাষা বোলা হয়। গোৱালপৰীয়া উপ- ভাষাটো গোৱালপাৰা জিলাতহে প্ৰচলিত তেনে নহয়। দৰাচলতে বৰ্তমান গোৱালপাৰা, বঙাইগাঁও, কোকৰাঝাৰ আৰু ধুবুৰী এই চাৰিখন জিলা মিলি পূৰ্বতে অবিভক্ত গোৱালপাৰা জিলাত গোৱালপৰীয়া উপভাষাটো প্ৰচলিত। গোৱালপৰীয়া উপভাষাটোক 'দেশী ভাষা', 'দেশী কথা' আৰু 'ৰাজবংশী' ভাষাও বোলা হয়।

গোৱালপৰীয়া উপভাষাটো প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰিঃ পূবৰ গোৱালপাৰা আৰু পশ্চিমৰ গোৱালপাৰা। পূবৰ গোৱালপৰীয়া ভাষা ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণপাৰৰ পৰা দুধনৈলৈকে বিয়পি আছে। পশ্চিমৰ গোৱালপৰীয়া ভাষাও ব্ৰহ্মপুত্ৰৰ উত্তৰ-দক্ষিণ দুয়োপাৰে বিয়পি আছে। এই বিভাগটো লক্ষীপুৰ, বিলাসীপাৰা, মুখী গাঁও (পশ্চিমীয়া উপবিভাগ), শালকোচা, চাপৰ আদি পশ্চিম পূৰ্বীয় উপৰিভাগলৈ বিয়পি আছে।

Study Material Prepared by: **Rukunuddin Ahmed**
Assistant Professor, Department of Assamese, Abhayapuri College